# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date : 12-02-2024**
**Time :** 19-10 HRS.

## Assamese Evening Bulletin

:::::::::::::::::::::::::::::::::::::::::::::

১।	ৰাষ্ট্ৰপতি শ্ৰী মতী দ্ৰৌপদী মুৰ্মুৰে আজি গুজৰাটৰ মৰবি জিলাৰ টংকৰাত আৰ্য সমাজৰ প্ৰতিষ্ঠাপক মহৰ্ষি দয়ানন্দ সৰস্বতীৰ ২০০ সংখ্যক জয়ন্তী উদযাপনত অংশগ্ৰহণ কৰে।

২।	উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কাইলৈ এদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত হ'ব।

৩।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ ভ্ৰমণ কৰিব।

৪।	বিহাৰত আজি নীতিশ কুমাৰ চৰকাৰে বিধানসভাত আস্থাৰ ভোটত জয়লাভ কৰে। *আৰু*

৫।	ভাৰতৰ ইউনিফাইড পেমেণ্ট ইণ্টাৰফেছ সেৱা চমুকৈ ইউ পি আই শ্ৰীলংকা আৰু মৰিচাচত আৰম্ভ কৰা হৈছে।

০০০

ৰাষ্ট্ৰপতি শ্ৰী মতী দ্ৰৌপদী মুৰ্মুৰে আজি গুজৰাটৰ মৰবি জিলাৰ টংকাৰাত আৰ্য সমাজৰ প্ৰতিষ্ঠাপক মহৰ্ষি দয়ানন্দ সৰস্বতীৰ ২০০ সংখ্যক জয়ন্তী উদযাপনত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত গুজৰাটৰ ৰাজ্যপাল আচাৰ্য্য দেৱব্ৰত আৰু মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলো উপস্থিত থাকে। অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ সমগ্ৰ বিশ্বৰ পৰা আৰ্যসমাজৰ সদস্যসকল সমবেত হৈছে। অনুষ্ঠানত ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, মহৰ্ষি দয়ানন্দ সৰস্বতীৰ ১৯ শতিকাত দেশখনক সামাজিক ন্যায় আৰু আধুনিকতাৰ পথ দেখুৱাইছে। তেওঁ কয় যে, মহৰ্ষি দয়ানন্দ সৰস্বতীয়ে সমগ্ৰ জীৱন সমাজৰ পৰা অন্ধ বিশ্বাস আৰু কুসংস্কাৰ নিৰ্মূল কৰাৰ কাৰণে উৎসৰ্গা কৰিছে। তেওঁ নাৰী শিক্ষা আৰু সৱলীকৰণৰো পোষকতা কৰিছিল। গুজৰাটৰ ৰাজ্যপাল আচাৰ্য্য দেৱব্ৰতে ১৯ শতিকাত হোৱা দেশৰ সাংস্কৃতিক আৰু সামাজিক নৱজাগৰণৰ বাবে মহৰ্ষি দয়ানন্দ সৰস্বতীক কৃতিত্ব প্ৰদান কৰে। তেওঁ মহিলা আৰু নিপীড়িতৰ হকে মাত মতা দেশৰ প্ৰথমজন সংস্কাৰক আছিল।

পৰৱৰ্তী সময় ৰাষ্ট্ৰপতিগৰাকীয়ে চুৰাটত চৰ্দাৰ বল্লভ ভাই পেটেল ৰাষ্ট্ৰীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ ২০ সংখ্যক সমাৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে ২৮ গৰাকী ছাত্ৰ-ছাত্ৰীক সোণৰ পদক প্ৰদান কৰাৰ বিপৰীতে এহেজাৰ ৪৩৪ গৰাকী ছাত্ৰ-ছাত্ৰীক ডিগ্ৰী প্ৰদান কৰিব। কাইলৈ ৰাষ্ট্ৰপতিগৰাকীয়ে ভালচাদ জিলাৰ ধৰমপুৰত অৱস্থিত শ্ৰীমদৰাজচন্দ্ৰ আশ্ৰম পৰিদৰ্শন কৰিব।

০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কাইলৈ এদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত হ'ব। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে বিয়লিৰ ভাগত অনুষ্ঠিত হ'বলগীয়া এটা অনুষ্ঠানত অসমৰ ৰাজ্যিক সৰ্বোচ্চ অসামৰিক সন্মান অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটাসমূহ প্ৰদান কৰিব।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে দেশখনৰ ৰাষ্ট্ৰপতি শ্বেইখ মহম্মদ বিন জায়েদ অল নাহিয়ানৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। দুয়োগৰাকী নেতাই উভয় দেশৰ মাজৰ কৌশলগত সহযোগিতা অধিক গভীৰ, ব্যাপক আৰু শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে পৰ্যালোচনা কৰাৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয় সন্দৰ্ভত মত-বিনিময় কৰিব। শ্ৰী মোদীয়ে দেশখনৰ উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু প্ৰতিৰক্ষা মন্ত্ৰীকো সাক্ষাৎ কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে ডুবাইত অনুষ্ঠিত বিশ্ব চৰকাৰ সন্মিলন, ২০২৪ত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব। আবু ধাবিত তেওঁ প্ৰথমটো হিন্দু মন্দিৰ, বোচাচাংৰাসী অক্ষৰ পুৰুষোত্তম স্বামী নাৰায়ণ সংস্থা চমুকৈ বাপ্‌ছ মন্দিৰ মুকলি কৰিব।

বিদেশ পৰিক্ৰমা মন্ত্ৰ্যালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে ২০১৫ চনৰ পৰা এয়া হৈছে প্ৰধানমন্ত্ৰী মোদীৰ সপ্তম তথা বিগত ৮ মাহত তৃতীয়টো সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ ভ্ৰমণ।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২০ ফেব্ৰুৱাৰীত জম্মু-কাশ্মীৰ ভ্ৰমণ কৰি জম্মুত ৰাজহুৱা সভাত ভাষণ দিয়াৰ লগতে সমগ্ৰ অঞ্চলটোত বহু উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰাৰ সম্ভাৱনা আছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি জম্মুত ৰাজহুৱা সভাত ভাষণ দিয়াৰ উপৰি প্ৰধানমন্ত্ৰীয়ে একাধিক উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰিব। এই প্ৰকল্পসমূহৰ ভিতৰত আছে চাম্বা জিলাৰ বিজয়পুৰত সৰ্বভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠান, ৰিয়াচি জিলাৰ সৰ্ববৃহৎ ৰেলৰে দলং যাৰ দ্বাৰা এই বছৰৰ ভিতৰত কাশ্মীৰ উপত্যকাক দেশৰ বাকী অংশৰ সৈতে সংযোগ কৰা যাব। ইয়াৰে উপৰি শ্ৰীমোদীয়ে উধমপুৰৰ দেৱিকা পুনৰুজ্জীৱিতকৰণ প্ৰকল্প, কাথুৱা জিলাৰ আই আই এম জম্মু আৰু শ্বাহপুৰ কাণ্ডিবান্ধ প্ৰকল্পও উদ্বোধন কৰিব। কাশ্মীৰক দেশৰ বাকী অংশৰ সৈতে সংযোগ কৰিবলৈ ৰেল প্ৰকল্প চলি থকাৰ সময়তে বানিহালৰ পৰা খাৰীলৈ এই সেৱা সম্প্ৰসাৰণৰ পৰিকল্পনা কৰা হৈছে, যাৰ ফলত কাশ্মীৰ আৰু জম্মুৰ মাজৰ ৰেলপথৰ দূৰত্ব আৰু অধিক হ্ৰাস পাব।

০০০

বিহাৰত আজি নীতিশ কুমাৰ চৰকাৰে বিধানসভাত আস্থাৰ ভোটত জয়লাভ কৰে। ২৪০ জনীয়া সদনত ১২৯ গৰাকী সদস্যই এই প্ৰস্তাৱত সমৰ্থন জনায়। বিৰোধী আৰ জে ডি, কংগ্ৰেছ আৰু বাওঁপন্থী দলসমূহে নিৰ্বাচন প্ৰক্ৰিয়া বৰ্জন কৰে। বিৰোধী দলৰ অনুপস্থিতিৰ মাজতে নীতিশ চৰকাৰৰ সপক্ষে এই প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সদনৰ কাৰ্যসূচীত উপাধ্যক্ষ মহেশ্বৰ হাজাৰীয়ে সভাপতিত্ব কৰে।

০০০

ভাৰতৰ ইউনিফাইড পেমেণ্ট ইণ্টাৰফেছ সেৱা শ্ৰীলংকা আৰু মৰিচাচত আৰম্ভ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি ৰোনিল য়ুইক্ৰমাসিংহ আৰু মৰিচাচৰ প্ৰধানমন্ত্ৰী প্ৰবীন্দ জগনৌথৰ উপস্থিতিত দ্বীপ ৰাষ্ট্ৰকেইখনত ভাৰতীয় ইউ পি এ সেৱা আৰম্ভ হয়। উল্লেখযোগ্য যে মৰিচাচত ৰুপে কাৰ্ড সেৱাও আৰম্ভ কৰা হৈছে। এই উপলক্ষে ভাষণ দি শ্ৰীমোদীয়ে কয় যে, আজি ভাৰত মহাসাগৰ অঞ্চলৰ এই তিনিখন

বন্ধুত্বপূৰ্ণ ৰাষ্ট্ৰৰ বাবে এটা বিশেষ দিন। তেওঁ কয় যে, ঐতিহাসিক সম্পৰ্কক আধুনিক ডিজিটেল পদ্ধতিৰে সংযোগ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে কয় যে, এয়া জনসাধাৰণৰ উন্নয়নৰ প্ৰতি থকা দায়বদ্ধতাৰ প্ৰমাণ। তেওঁ কয় যে, ফিনটেক সংযোগৰ জৰিয়তে কেৱল মাত্ৰ সীমা অতিক্ৰম কৰি লেনদেন কৰাই নহয় সংযোগ বিলাকো শক্তিশালী কৰা হ'ব। শ্ৰীমোদীয়ে কয় যে, ভাৰতৰ ইউ পি আইয়ে এতিয়া এটা নতুন দায়িত্ব পালন কৰিছে। তেওঁ আস্থা প্ৰকাশ কৰে যে, শ্ৰীলংকা আৰু মৰিচাচ এই ইউ পি আই সেৱাৰ দ্বাৰা যথেষ্ট উপকৃত হ'ব। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, ডিজিটেল ৰাজহুৱা আন্তগাঠনি বিলাকে ভাৰতত এক বৈপ্লৱিক পৰিৱৰ্তন আনিছে। তেওঁ কয় যে, সৰু সৰু গাঁৱৰ সৰু সৰু ব্যৱসায়ীসকলেও ডিজিটেল ব্যৱস্থাৰে পেমেণ্ট কৰিবলৈ আৰম্ভ কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, ভাৰতবৰ্ষৰ নীতি হৈছে ওচৰ-চুবুৰীয়া প্ৰথম। তেওঁ কয় যে, ভাৰতৰ সামগ্ৰিক দৃষ্টিভংগী হৈছে SAGAR, ইয়াৰ অৰ্থ হৈছে Security and Growth for All in the Region। শ্ৰীমোদীয়ে কয় যে, ভাৰতে কেতিয়াও চুবুৰীয়া ৰাষ্ট্ৰসমূহক বাদ দি উন্নয়নৰ কথা চিন্তা নকৰে। তেওঁ কয় যে, কোৱিড মহামাৰীৰ সময়ত ক'উইন মঞ্চৰ জৰিয়তে ভাৰতে বিশ্বৰ সৰ্ববৃহৎ টীকাকৰণ অভিযান চলাইছিল। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰযুক্তিৰ ব্যৱহাৰৰ বাবে স্বচ্ছতা বৃদ্ধি আৰু দূৰ্নীতি হ্ৰাস পোৱাৰ লগতে অৰ্থনীতিও অধিক সৰ্বাঙ্গীন হৈ পৰিছে। তেওঁ কয় যে জনসাধাৰণে এতিয়া চৰকাৰক বিশ্বাস কৰে। শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী ৰোনিল য়ুইক্ৰমাসিংহে কয় যে হাজাৰ হাজাৰ বছৰ ধৰি ভাৰত আৰু শ্ৰীলংকাৰ মাজত ধনৰ লেনদেন অব্যাহত আছে। তেওঁ কয় যে, শ্ৰীলংকাৰ সংগ্ৰহালয়সমূহত হাজাৰ বছৰৰো অধিক পুৰণি দক্ষিণ ভাৰতীয় মুদ্ৰা আছে। যিবোৰ বিভিন্ন গ্ৰাম্য অঞ্চলত পোৱা গৈছিলে। শ্ৰী য়ুইক্ৰমাসিংহে কয় যে, ইয়াৰ দ্বাৰা দক্ষিণ ভাৰতীয় বাণিজ্যিক নিগমসমূহ শ্ৰীলংকাৰ গ্ৰাম্য অঞ্চলত যে অধিক সক্ৰিয় আছিল, তাৰেই প্ৰমাণ পোৱা যায়। তেওঁ কয় যে, আজিৰ এই পদক্ষেপে কেৱল প্ৰযুক্তিগতভাৱে উন্নীতকৰণহে কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাম মন্দিৰ মুকলি কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অভিনন্দন জ্ঞাপন কৰে।

অনুষ্ঠানত ভাষণ দি মৰিচাচৰ প্ৰধানমন্ত্ৰী প্ৰবীন্দ জগনৌথে কয় যে, ভাৰত আৰু মৰিচাচৰ মাজত শতিকাজোৰা এক শক্তিশালী সাংস্কৃতিক আৰু বাণিজ্যিক সম্পৰ্ক আছে। তেওঁ কয় যে, এই সম্পৰ্কত আজি আৰু এটা মাত্ৰা সংযোজন কৰা হৈছে। শ্ৰীজগনৌথে ঘোষণা কৰে যে, ৰুপে কাৰ্ডখন মৰিচাচত ৰাষ্ট্ৰীয় পেমেণ্ট পদ্ধতিৰ  সৈতে যুটীয়াভাৱে ব্ৰেণ্ডিং কৰা হৈছে। তেঁও কয় যে, ভাৰতৰ অধ্যক্ষতাত অনুষ্ঠিত জি-টুৱেণ্টি বৈঠকৰ অন্যতম উল্লেখযোগ্য দিশ আছিল ডিজিটেল সেৱা আৰু ডিজিটেল ৰাজহুৱা আন্তগাঠনিৰ সুবিধা উন্নত কৰাৰ প্ৰতিশ্ৰুতি।

০০০

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৈছে যে, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী-এন আৰ চিৰ চূড়ান্ত তালিকা এতিয়াও প্ৰকাশ হোৱা নাই। তেওঁ কয় যে, নাগৰিক পঞ্জীয়ন আৰু ৰাষ্ট্ৰীয় পৰিচয় পত্ৰ অধিনিয়ম ২০২৩ অনুসৰি চূড়ান্ত তালিকা প্ৰকাশৰ অধিকাৰ ভাৰতৰ মহা পঞ্জীয়কৰ হাতত ন্যস্ত আছে। বিধানসভাত আজি এটা প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে, এন আৰ চিৰ সত্যাসত্য নিৰূপণৰ বাবে অসম চৰকাৰে কোনো ধৰণৰ শপতনামা দাখিল কৰা নাই। প্ৰায় ২৭ লাখ লোকৰ আধাৰ কাৰ্ড বন্ধ কৰি ৰখাৰ বিষয়টো সন্দৰ্ভত ড০ শৰ্মাই কয় যে, বিষয়টো কেন্দ্ৰৰ দৃষ্টিগোচৰ কৰা হৈছে আৰু এই সন্দৰ্ভত শীঘ্ৰেই সঠিক সমাধান লাভ কৰাৰ আশা আছে। চৰকাৰে অতি শীঘ্ৰেই এই বিষয়টোৰ সমাধানৰ প্ৰয়াস কৰি আছে বুলি তেওঁ প্ৰকাশ কৰে। ৰাজ্যখনত প্ৰায় ৯৭ হাজাৰ সন্দেহযুক্ত ভোটদাতা আছে বুলিও তেওঁ লগতে উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে এই বুলিও

প্ৰকাশ কৰে যে, ১৯৯৭ ৰ পৰা ২০২৩ পৰ্যন্ত ৮৯ হাজাৰ সন্দেহযুক্ত ভোটদাতাৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰা হৈছে।

০০০

কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি অৰুণাচল প্ৰদেশৰ ইন্দো  তিববতীয়ান সীমান্ত আৰক্ষী বাহিনীৰ ইটানগৰস্থিত উত্তৰ পূৰ্ব সীমান্তৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত ৰোজগাৰ মেলাত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগৰ আৰু মন্ত্ৰালয়ে ২৩ গৰাকী নৱ নিযুক্ত প্ৰাৰ্থীক নিযুক্তি পত্ৰ বিতৰণ কৰে। শ্ৰীৰিজিজুৱে নৱ নিযুক্ত প্ৰাৰ্থীসকলক অভিনন্দন জনাই ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰত নিৰ্মাণ অভিযানত অৰিহণা যোগাবলৈ আহ্বান জনায়।

০০০

সমাপ্ত